# NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-10-2022
**Time :** 1845 hrs

## *Assamese Evening Bulletin*
# HEADLINES

১। অসমীয়া জাতিৰ জনক সৰ্বগুণাকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ আজি ৰাজ্যজুৰি উলহ-মালহেৰে পালন।

২। শাৰদীয় দুৰ্গা পূজাৰ বিজয়া দশমী উপলক্ষে ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা কৰা দেৱী দুৰ্গাক আজি যথা বিহিত পৰম্পৰাৰে বিসৰ্জন।

৩। কেৰলিন আৰ বাৰ্টোজী, মৰ্টেন মেলডেল আৰু কে বেৰী চাৰ্পলেচলৈ ৰসায়ন বিজ্ঞানৰ বাবে চলিত বৰ্ষৰ ন'বেল পুৰস্কাৰ।

৪। উত্তৰাখণ্ডত হিমস্খলনৰ ফলত গুৱাহাটীৰ ৰাজগড়ৰ দ্বীপশিখা হাজৰিকাৰ লগতে ১১ খন ৰাজ্যৰ কেইবাগৰাকীও পৰ্বতাৰোহী সন্ধানহীন।

৫। গুজৰাটত চলি থকা ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি অসমৰ ৩টা পদক অৰ্জন।

*আৰু*

৬। লক্ষ্ণৌত কাইলৈ ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন আন্তঃৰাষ্ট্ৰীয়খেল।

০০০০০০০

অসমীয়া জাতিৰ জনক, সমাজ ব্যৱস্থাৰ গুৰি ধৰোতা, সৰ্বগুণাকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ আজি ৰাজ্যজুৰি পালন কৰা হৈছে। বিভিন্ন স্থানত এদিনীয়াৰ পৰা চাৰিদিনীয়াকৈ মহোৎসৱৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। একশৰণ নাম ধৰ্মৰ প্ৰতিষ্ঠাৰ লগতে কাব্য, সাহিত্য, ভাওনা, চিত্ৰশিল্প, সংগীত, ভাস্কৰ্য ক্ষেত্ৰত অসামান্য প্ৰতিভাৰ অধিকাৰী গুৰুজনাই ১৪৪৯ খ্ৰীষ্টাব্দৰ আজিৰ দিনটোত জন্মগ্ৰহণ কৰি নিজৰ নৈপুন্য  তথা সামৰ্থ্যৰ বলত জাতিটোৰ গুৰি ধৰাৰ মহান দায়িত্ব পালন কৰিছিল।

আজি ৰাজ্যজুৰি ভিন ভিন কাৰ্যসূচীৰে গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উদযাপন কৰা হৈছে। গুৰুজনাৰ জন্মস্থান বৰদোৱাৰ বটদ্ৰৱা সত্ৰৰ পৰা আৰম্ভ কৰি সত্ৰনগৰী বৰপেটা, ঐতিহ্যমণ্ডিত নদীদ্বীপ মাজুলী, কোচ বিহাৰৰ মধুপুৰ আৰু ধুবুৰীৰ ৰামৰাইকুঠি সত্ৰকে ধৰি বিভিন্ন ঠাইৰ সত্ৰ, নামঘৰ আদিৰ লগতে অন্যান্য স্থানতো কালিৰে পৰা তিনিৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে এই মহোৎসৱ উদযাপন কৰা হৈছে। এই উপলক্ষে ঠায়ে ঠায়ে ঊষা কীৰ্তন, ভাগৱত শোভাযাত্ৰা, ভাওনা প্ৰদৰ্শন, নাম-কীৰ্তন আদিৰ আয়োজন কৰা হৈছে। বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত কালপানী বজাৰ নামঘৰ প্ৰাংগণত আজিৰে পৰা তিনিদিনীয়াকৈ মহাপুৰুষজনাৰ জন্মোৎসৱ উদযাপন কৰা হৈছে। এই উপলক্ষে ভাগৱত শোভাযাত্ৰা, আয়তীৰ নাম, ঢুলীয়া কৃষ্টি প্ৰদৰ্শনৰ দিহা কৰা হৈছে। কোকৰাঝাৰ জিলাৰ ৰাসমেলা খেলপথাৰত

দুদিনীয়াকৈ আয়োজিত মহোৎসৱ উপলক্ষে আজি ভকত-বৈষ্ণৱসকলে নাম কীৰ্তন কৰে। মৰিগাঁও জিলাৰ বিভিন্ন স্থানত আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হয়। এই উপলক্ষে মৰিগাঁও জিলা শাখাৰ উদ্যোগত ভাগৱত, শোভাযাত্ৰা উলিওৱাৰ লগতে নাম-প্ৰসংগ অনুষ্ঠিত হয়। বৰপেটা সত্ৰত আজি এই উপলক্ষে ভাগৱত ভ্ৰমণ কৰা হয়। কালিৰে পৰা সত্ৰত উদযাপন কৰা এই উৎসৱৰ উপৰি ৮, ৯ আৰু ১০ অক্টোবৰত বৰপেটা জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ উদযাপন সমিতিৰ উদ্যোগত চুন পোৰা ভিঠি থান সত্ৰত জন্মোৎসৱ পালন কৰা হ'ব।

কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ লগতে উত্তৰ গুৱাহাটীত আজি উলহ-মালহেৰে মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰা হয়। ইপিনে জিলাখনৰ বিভিন্ন সত্ৰ আৰু নামঘৰত কালিৰে পৰা দুদিনীয়া অথবা চাৰিদিনীয়া কাৰ্যসূচীৰে জন্মোৎসৱ পালন কৰা হৈছে। এই উপলক্ষে আয়তীসকলৰ নাম প্ৰসংগ, ধৰ্মধ্বজা উত্তোলন, নগৰ সমদল, অংকীয়া নাট আদি কৰা হয়। আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে ৰামদিয়া, চমৰীয়া সত্ৰ, ৰঙিয়া, ডিমু, বেজেৰা, ছয়গাঁও, বকো আদিৰ সত্ৰ আৰু নামঘৰত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এটা টুইটবাৰ্তাত কৃষ্টি-সংস্কৃতি, সাহিত্য আৰু জ্ঞান চৰ্চাৰে অসমীয়া জাতীয় জীৱনৰ প্ৰাণ প্ৰতিষ্ঠা কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মোৎসৱত প্ৰণিপাত জনাইছে।

০০০০০০

আজি বিজয়া দশমী। ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা কৰা দেৱী দুৰ্গাক আজি যথা বিহিত ধৰ্মীয় ৰীতি-নীতি অনুসৰি বিজয়া দশমী আৰু অপৰাজিতা পূজা সম্পন্ন কৰাৰ পাছত বিসৰ্জন প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই উপলক্ষে দেশৰ আন কোনো কোনো স্থানৰ লগতে অসমতো আজি বিস্তৃত কাৰ্যসূচীৰ গ্ৰহণ কৰা হয়। বিধি অনুসৰি দশমী পূজা আজি দিনৰ চাৰে ৯ বজাত আৰম্ভ হয়। দিনৰ ১ বজাৰ পাছত প্ৰতিমা বিসৰ্জনৰ প্ৰক্ৰিয়া আৰম্ভ হয়।

গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানৰ পূজা মণ্ডপৰ পৰা প্ৰতিমাসমূহ পৰম্পৰাগত ৰীতি-নীতিৰে বিসৰ্জনৰ বাবে নৈৰ ঘাটলৈ লৈ যোৱা হৈছে।

গোৱালপাৰা জিলাত আজি বিজয়া দশমী উপলক্ষে দেৱী দুৰ্গাৰ প্ৰতিমাৰ বিসৰ্জন পৰ্ব সম্পন্ন হয়। আৰক্ষী প্ৰশাসনৰ কটকটীয়া নিৰাপত্তাৰ মাজেৰে গোৱালপাৰা চহৰৰ ৩৬ খন পূজা মণ্ডপৰ প্ৰতিমা আজি ব্ৰহ্মপুত্ৰত বিসৰ্জন প্ৰক্ৰিয়া চলি আছে। একেদৰে জিলাখনৰ লক্ষীপুৰ, আগিয়া, ধূপধৰা, কৃষ্ণাই, দুধনৈ আদিতো বিসৰ্জন পৰ্ব সম্পন্ন হৈছে। ৰংজুলিত দেৱী বিসৰ্জনৰ পাছত সন্ধিয়া ৰাৱণৰ প্ৰতিমূৰ্তি দাহ কৰা হয়। ডিমা হাচাও জিলাৰ বিভিন্ন পূজা মণ্ডপৰ পৰা প্ৰতিমাসমূহ বিসৰ্জন প্ৰক্ৰিয়া যথা বিহিত ৰীতি-নীতিৰে সম্পন্ন কৰা হৈছে। হাফলং চহৰৰ দুৰ্গাৰ প্ৰতিমাসমূহ দিয়ুং নৈত বিসৰ্জন দিয়া হয়। কামৰূপ জিলাত আজি বিজয়া দশমী উপলক্ষে বিভিন্ন পূজা মণ্ডপৰ প্ৰতিমাসমূহ বিসৰ্জন দিয়াৰ লগতে ৰাৱণ দাহ কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলাখনৰ ব্ৰহ্মপুত্ৰ, বৰলিয়া, পুঠিমাৰী, জলজলি আদি নৈত বিসৰ্জন পৰ্ব চলি আছে।

বজালী জিলাৰ পাটাচাৰকুছিতো আজি প্ৰতিমা বিসৰ্জন প্ৰক্ৰিয়া সুন্দৰভাৱে সম্পন্ন হৈছে।

আজি প্ৰতিমা বিসৰ্জনৰ বাবে যান-বাহন আৰক্ষীয়ে নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি দিনৰ ১ বজাৰ পৰা বিসৰ্জন সম্পূৰ্ণ নোহোৱালৈকে যান-বাহন চলাচলৰ ক্ষেত্ৰত এই নিৰ্দেশনা বাহাল থাকিব। চানমাৰিৰ ফালৰ পৰা জালুকবাৰীলৈ প্ৰতিমা কঢ়িওৱা বাহনৰ বাহিৰে কোনো বাহনকে এম চি ৰোডত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। এই যান-বাহনসমূহ জি এন বি পথেৰে যাব পাৰিব। প্ৰতিমা কঢ়িওৱা বাহনৰ বাহিৰে

আন বাহনে জিলা পুথিভঁৰালৰ পৰা জি এন বি ৰোডেৰে কে এল বি ৰোডলৈ সোঁহাতে ঘূৰিব নোৱাৰিব। জালুকবাৰী আৰু ভৰলুমুখৰ ফালৰ পৰা চানামাৰি-দিছপুৰলৈ যোৱা বাহনসমূহ এম জি ৰোডৰ এপল' পইণ্টৰ পৰা টি আৰ পি ৰোডেৰে আগবাঢ়ি এইছ বি ৰোড বা এ টি ৰোডেৰে যাব লাগিব। উজানবজাৰ, খাৰঘুলি আৰু নুনমাটিৰ ফালৰ পৰা অহা বাহনসমূহ জি এন বি বা তৈয়বুল্লা ৰোডেৰে যাব লাগিব।

আনহাতে, আজি প্ৰতিমা বিসৰ্জনৰ সমান্তৰালভাৱে ঠায়ে ঠায়ে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় সাব্যস্ত কৰাৰ প্ৰতীক হিচাপে শ্ৰীশ্ৰীৰামচন্দ্ৰৰ বিজয় উৎসৱ, ৰাৱন দাহ পৰ্বৰো আয়োজন কৰা হৈছে। দেশৰ বিভিন্ন ঠাইত আজি পৰম্পৰাগত ৰীতি-নীতিৰে দশেৰা উদযাপন। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। গুৱাহাটী মহানগৰীৰ নেহৰু ষ্টেডিয়ামতো আজি ৰাৱন দাহ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

চুবুৰীয়া ৰাজ্য মেঘালয়তো আজি দুৰ্গা প্ৰতিমা বিসৰ্জনৰ লগে লগে দুৰ্গা পূজাৰ সামৰণি পৰিল। ৰাজ্যখনত দুৰ্গা পূজা আয়োজন কৰা কমিটিসমূহে আজি দশমীৰ দিনা শ্বিলঙৰ ৱাহুমখ্ৰা নৈৰ লগতে ৰাজ্যখনৰ আন আন প্ৰান্তৰ নৈসমূহ দেৱী দুৰ্গাৰ প্ৰতিমা বিসৰ্জন দিছে।

খাচী পাহাৰত ১২৬ খন মণ্ডপত দুৰ্গা পূজা অনুষ্ঠিত হোৱাৰ বিপৰীতে জয়ন্তীয়া পাহাৰত ১১ আৰু গাৰো পাহাৰত ১২০ খন পূজা অনুষ্ঠিত হয়।

০০০০০০

ৰসায়ন বিজ্ঞানৰ বাবে চলিত বৰ্ষৰ ন'বেল পুৰস্কাৰ কেৰলিন আৰ বাৰ্টোজী, মৰ্টেন মেলডেল আৰু কে বেৰী চাৰ্পলেচলৈ আগবঢ়োৱা হৈছে। ক্লিক আৰু বায়অৰ্থগনেল ৰসায়নক নতুন দিশৰ সন্ধান দিয়াৰ ক্ষেত্ৰত তেওঁলোকে গ্ৰহণ কৰা ভূমিকাৰ বাবে এই পুৰস্কাৰ আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে, এই পুৰস্কাৰ লাভ কৰাৰ ফলত বেৰী চাৰ্পলেচ দুটাকৈ ন'বেল পুৰস্কাৰ লাভ কৰা পঞ্চমগৰাকী ব্যক্তি হিচাপে পৰিগণিত হৈছে। ইয়াৰ পূৰ্বে জন বাৰ্ডিন, মেৰী কুৰী, লাইনাচ পাউলিং আৰু ফ্ৰেডৰিক ছেংগাৰে দুটাকৈ ন'বেল পুৰস্কাৰ লাভ কৰিছিল। চাৰ্পলেচে ইয়াৰ পূৰ্বে ২০০১ চনত ৰসায়ন বিজ্ঞানত এই পুৰস্কাৰ লাভ কৰিছিল। উল্লেখযোগ্য যে, সাহিত্যৰ বাবে কাইলৈ আৰু শান্তিৰ ক্ষেত্ৰত শুকুৰবাৰে অৰ্থাৎ পৰহিলৈ এই পুৰস্কাৰ ঘোষণা কৰা হ'ব। ইয়াৰ পূৰ্বে কালি পদাৰ্থ বিজ্ঞান আৰু পৰহি চিকিৎসাৰ ক্ষেত্ৰ বাবে ন'বেল পুৰস্কাৰ ঘোষণা কৰা হৈছিল।

০০০০০০

ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ে উত্তৰ-পূবৰ সীমান্ত অঞ্চলেৰে চোৰাং সৰবৰাহ কৰা অৱস্থাত ২৩ কিলোগ্ৰামৰো অধিক সোণ জব্দ কৰিছে। এই সোণৰ মূল্য ১১ কোটি ৬৫ লাখৰো অধিক হ'ব বুলি অনুমান কৰা হৈছে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে উত্তৰ-পূৰ্বাঞ্চলত সোণ জব্দ কৰা এই ঘটনাই উত্তৰ-পূব সীমান্ত হৈ বাংলাদেশ আৰু ম্যানমাৰৰ সৈতে সোণৰ চোৰাং সৰবৰাহ চলি থকাৰে ইংগিত বহন কৰিছে।

০০০০০০

ভাৰতত কন্যা শিশুৰ মৃত্যুৰ হাৰ উল্লেখনীয়ভাৱে হ্ৰাস পোৱা বিষয়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্তুষ্টি প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে ১৩০ কোটি ভাৰতীয়ৰ সমন্বিত প্ৰচেষ্টাই মহিলা সবলীকৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি মতপ্ৰকাশ কৰে। সম্প্ৰতি দেশত কন্যা শিশুৰ মৃত্যুৰ হাৰ ল'ৰাৰ মৃত্যুৰ হাৰৰ সমপৰ্যায়ৰ বুলি প্ৰকাশ কৰা হৈছে। অৱশ্যে ১৬ খন ৰাজ্যত কন্যা শিশুৰ মৃত্যুৰ হাৰ ২০১১ চনৰ পৰাই ল'ৰাৰ মৃত্যুৰ হাৰতকৈ অধিক হৈ আছে। ২০২০ চনৰ নমুনা পঞ্জীয়ন ব্যৱস্থাৰ পাৰিসাংখ্যিক প্ৰতিবেদন

অনুসৰি ছত্তীশগড়ত কন্যা শিশু আৰু ল'ৰাৰ মৃত্যুৰ হাৰৰ প্ৰভেদ সৰ্বাধিক। ৰাজ্যখনত  ল'ৰা শিশুৰ মৃত্যুৰ হাৰ ৩৫ৰ বিপৰীতে কন্যা শিশুৰ ক্ষেত্ৰত এই হাৰ ৪১ হোৱাৰ তথ্য পোৱা গৈছে।

oooooo

ভাৰতীয় সেনা বাহিনীৰ এখন চিতা হেলিকপ্টাৰ আজি অৰুণাচল প্ৰদেশৰ টাৱাঙত নিয়মীয়া উৰণৰ সময়ত দিনৰ ১০ বজাত দুৰ্ঘটনাগ্ৰস্ত হয়। সেনা বাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে ততালিকে উদ্ধাৰ অভিযান আৰম্ভ কৰা হয়। দুয়োজন পাইলটকক সমীপৰ সামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও এজনৰ চিকিৎসালয়তে মৃত্যু হয়। আনজনক চিকিৎসালয়খনত চিকিৎসা প্ৰদান কৰি থকা হৈছে। দুৰ্ঘটনাৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে ছ'চিয়েল মিডিয়াত দিয়া এটা পষ্টত গভীৰ শোকপ্ৰকাশ কৰিছে। তেওঁ কয় যে, সেনা বাহিনীৰ শীৰ্ষ বিষয়াসকলৰ সৈতে সম্ভৱপৰ যিকোনো সহযোগিতা আগবঢ়োৱাৰ বাবে যোগাযোগ অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আহত চালকজনৰ আশু আৰোগ্য কামনা কৰে।

oooooo

উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাৰ ১৭ হাজাৰ ফুট উচ্চতাৰ দ্ৰৌপদী কা দাণ্ডা ২ত হিমস্খলনৰ ফলত সন্ধানহীন হৈ থকা অসমকে ধৰি দেশৰ ১১ খনৰ ৰাজ্যৰ ২৮ গৰাকী পৰ্বতাৰোহীৰ তালিকা উত্তৰাখণ্ডৰ আৰক্ষীয়ে প্ৰকাশ কৰিছে। অসমৰ উপৰি পশ্চিমবংগ, দিল্লী, তেলেংগানা, তামিলনাডু, কৰ্ণাটক, হাৰিয়ানা, গুজৰাট, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড আৰু উত্তৰ প্ৰদেশৰ পৰ্বতাৰোহীৰ নামো এই তালিকাত আছে। অসমৰ গুৱাহাটীৰ ৰাজগড়ৰ দ্বীপশিখা হাজৰিকা নামৰ যুৱতী এগৰাকী এই ঘটনাৰ ফলত সন্ধানহীন হৈ আছে। উত্তৰ কাশীৰ নেহেৰু ইনষ্টিটিউট অব মাউণ্টেনিয়াৰিঙৰ ৪১ জনীয়া প্ৰশীক্ষাৰ্থীৰ দল এটা তেওঁলোকৰ প্ৰশিক্ষকৰ সৈতে কালি পৰ্বতৰ শিখৰৰ পৰা নামি আহি থকাৰ সময়ত হিমস্খলনৰ কবলত পৰে। জানিব পৰা মতে, বিপদসংকুল পৰিস্থিতিকো নেওচি উদ্ধাৰ অভিযান চলাই থকা হৈছে। বায়ুসেনা বাহিনীয়ে দুটা অঞ্চলত দুখনকৈ হেলিকপ্টাৰ উদ্ধাৰ অভিযানত ব্যৱহাৰ কৰিছে আৰু এতিয়ালৈ ১৪ গৰাকী পৰ্বতাৰোহীক ১২ হাজাৰ ফুট উচ্চতাৰ বেছ কেম্পৰ পৰা উদ্ধাৰ কৰা হৈছে। আনহাতে ১০টা মৃতদেহ উদ্ধাৰ কৰা হৈছে বুলি পৰ্বতাৰোহৰ প্ৰতিষ্ঠানটোৰ সূত্ৰই প্ৰকাশ কৰিছে। প্ৰতিকূল বতৰৰ বাবে উদ্ধাৰ অভিযান সাময়িকভাৱে বন্ধ কৰা হৈছিল যদিও আজি পুনৰ আৰম্ভ কৰা হৈছে। উল্লেখযোগ্য যে, এই দলটো যোৱা ২৩ ছেপ্তেম্বৰত পৰ্বতাৰোহণৰ বাবে উত্তৰ কাশীলৈ ৰাওনা হৈছিল আৰু কালি পুৱা ৯ বজাত ১৬ হাজাৰ ফুট উচ্চতাত হিমস্খলনৰ কবলত পৰিছিল। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে অঞ্চলটোত অভিযান অব্যাহত ৰাখিছে।

oooooo

উত্তৰাখণ্ডৰ চাৰিধামৰ অন্যতম কেদাৰনাথ আৰু যমুনোত্ৰীৰ দ্বাৰ শীতকালৰ বাবে অহা ২৭ অক্টোবৰত ভাই দুজৰ দিনা বন্ধ কৰা হ'ব। ইফালে গংগোত্ৰীৰ দ্বাৰ অহা ২৬ অক্টোবৰত গোৱৰ্ধন পূজাৰ দিনা বন্ধ কৰা হ'ব। আনহাতে বদ্ৰীনাথ মন্দিৰৰ দ্বাৰ ১৯ নৱেম্বৰত বন্ধ হ'ব। বিজয়া দশমী উপলক্ষে মন্দিৰ কমিটীয়ে আজি এই সন্দৰ্ভত ঘোষণা কৰে।

oooooo

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগৰ বাবে অংশকালীন বাতৰি সম্পাদক আৰু বাতৰি পৰিৱেশক তথা অনুবাদক বাছনিৰ বাবে অহা ১৬ অক্টোবৰত গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক

প্ৰতিষ্ঠানত পৰীক্ষা অনুষ্ঠিত হ'ব। অংশকালীন বাতৰি পৰিৱেশক তথা অনুবাদকৰ বাবে দিনৰ ১০ বজাৰ পৰা ১ বজালৈ আৰু বাতৰি সম্পাদকৰ বাবে বিয়লি ২ বজাৰ পৰা ৫ বজালৈ লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষাৰ্থীসকলক পৰীক্ষা আৰম্ভ হোৱাৰ আধা ঘণ্টা আগে পোৱাকৈ পৰীক্ষা কেন্দ্ৰত উপস্থিত হ'বলৈ কোৱা হৈছে। পৰীক্ষাৰ্থীসকলে এই সন্দৰ্ভত বিতং তথ্যৰ বাবে newsonair.gov.in আৰু prasharbharati.gov.in বেৱচাইট চাব পাৰে।

০০০০০০

ভাৰত বিশ্বৰ ভিতৰত সৰ্বাধিক চেনী উৎপাদন কৰা আৰু দ্বিতীয় বৃহৎ চেনী ৰপ্তানী কৰা ৰাষ্ট্ৰ হিচাপে পৰিগণিত হৈছে। ২০২১-২২ বৰ্ষৰ চেনী উৎপাদনৰ সময়ছোৱাত অভিলেখ সংখ্যক ৫ হাজাৰ লাখ মেট্ৰিক টনৰো অধিক কুঁহিয়াৰ দেশত উৎপাদন কৰা হৈছে। ইয়াৰ ভিতৰত ৩৫ লাখ মেট্ৰিক টন চেনী ইথানল উৎপাদনৰ বাবে ব্যৱহাৰ কৰাৰ লগতে ৩৫৯ লাখ মেট্ৰিক টন চেনী কলসমূহত ব্যৱহৃত হৈছে। কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰে প্ৰকাশ কৰা মতে, এইবাৰৰ এই সময়ছোৱাত ভাৰতীয় চেনী উৎপাদন খণ্ডত অভিলেখ সৃষ্টিকাৰী হিচাপে পৰিগণিত হৈছে। আনহাতে চেনী ৰপ্তানীৰ দ্বাৰা ভাৰতে ৪০ হাজাৰ কোটি টকাৰ বিদেশী মুদ্ৰা আহৰণ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ, কৃষক, চেনী কল আৰু অন্যান্য ব্যৱসায়ী সংস্থাসমূহৰ সমন্বিত প্ৰচেষ্টাৰ ফলত এই সাফল্য লাভ কৰা হৈছে।

০০০০০০

গুজৰাটত অনুষ্ঠিত ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত ছাৰ্ভিছেজে ৩৯টা সোণ, ২৪টা ৰূপ আৰু ২৪টা ব্ৰজসহ মুঠ ৮৭টা পদকেৰে পদক তালিকাৰ শীৰ্ষত আছে। হাৰিয়ানাই এই পৰ্যন্ত ২৫ সোণ, ২২টা ৰূপ আৰু ১৯টা ব্ৰঞ্জসহ মুঠ ৬৫টা পদক লাভ কৰি দ্বিতীয় স্থানত আছে। প্ৰতিযোগিতাত অসমে এতিয়ালৈকে ৬টা সোণ, ৫টা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদক লাভ কৰি পদক তালিকাৰ চতুৰ্দশ স্থানত আছে।

আজি অসমৰ আস্থা চৌধুৰীয়ে ২০০ মিটাৰ বাটাৰ ফ্লাইত ৰূপ পদক অৰ্জন কৰে। সাঁতোৰবিদগৰাকীয়ে ইয়াৰ পূৰ্বে বাটাৰ ফ্লাই হিটছত ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰিছিল। সাঁতোৰবিদ গৰাকীয়ে ১০০ মিটাৰ বাটাৰ ফ্লাইত ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি সোণৰ পদক লাভ কৰিছিল। ইপিনে বিক্ৰম ছাংমাইয়ে আজি পুৰুষৰ একে শাখাত ৰূপৰ পদক লাভ কৰে। পুৰুষৰ ১০০ মিটাৰ বাটাৰ ফ্লাইত তেওঁ ৰূপৰ পদক লাভ কৰিছিল।

কালি শিৱাংগি শৰ্মাই ৫০ মিটাৰ ফ্ৰী ষ্টাইলত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আনহাতে ল'ন বলছৰ ছিংগলছত মৃদুল বৰগোহাঁইয়ে দিল্লীৰ বিক্ৰম ৰাজাকক পৰাজিত কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। আনহাতে কালি ২০০ মিটাৰ দৌৰত অসমৰ অম্লান বৰগোহাঁই স্বৰ্ণ জয় কৰাৰ লগতে একেটা ইভেণ্টৰে মহিলাৰ শাখাত হিমা দাসে ৰূপৰ পদক লাভ কৰে। আনহাতে নাকত আঘাতৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়াত ভাগ লোৱাৰ ক্ষেত্ৰত অনিশ্চিয়তাত থকা অসমৰ তাৰকা বক্সাৰ লাভলীনা বৰগোহাঁইক চিকিৎসকে খেলত ভাগ লোৱাৰ বাবে সেউজ সংকেত দিয়াৰ পাছত আজি খেলুৱৈ গৰাকী বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাত পৰৱৰ্তী ৰাউণ্ডলৈ উন্নীত হৈছে। টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক জয়ী লাভলীনাৰ প্ৰত্যাৱৰ্তনে ৰাজ্যৰ ক্ৰীড়া প্ৰেমীলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিছে।

এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা গুজৰাটৰ ছুখন চহৰত অনুষ্ঠিত হৈছে। ১২ অক্টোবৰত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ প্ৰথমখন খেল কাইলৈ লক্ষ্মৌত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন দিনৰ ডেৰ বজাৰ পৰা আৰম্ভ হ'ব। শৃংখলাৰ আন দুখন খেল অহা ৯ তাৰিখে ৰাচীত আৰু ১১ তাৰিখে দিল্লীত অনুষ্ঠিত হ'ব। দক্ষিণ আফ্ৰিকাই সদ্যসমাপ্ত টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ দলটোক অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগা টি-টুৱেণ্টি বিশ্বকাপৰ প্ৰতি লক্ষ্য ৰাখি অধিক অভ্যাসৰ বাবে একেই ৰাখিছে। তেওঁলোকে টি-টুৱেণ্টি দলটোৰ পৰা ট্ৰিষ্টান ষ্টাৰছ আৰু ৰাইলী ৰ'ছঅ'ক অব্যাহতি দি এন্দ্ৰিলে ফেখলুকোৱাইয়া আৰু জানামন-মালানক অন্তৰ্ভুক্ত কৰিছে। ইফালে ভাৰতে টি-টুৱেণ্টি বিশ্বকাপ দলৰ এজনো খেলুৱৈক দলত অন্তৰ্ভুক্ত কৰা নাই। ভাৰতৰ দলটোত অধিনায়ক হিচাপে শিখৰ ধাৱান, শ্ৰেয়াছ আয়াৰক সহ অধিনায়ক, উইকেট কীপাৰ হিচাপে ঈশান কিযান অথবা সঞ্জু চেমছন, ৰিতুৰাজ গাইকৱাড, শুভমন গীল, ৰজত পাটিদাৰ, ৰাহুল ত্ৰিপাঠী, শ্বাহবাজ আহমেদ, শাৰদুল ঠাকুৰ, কুলদীপ যাদৱ, ৰবি বিষ্ণই, মুকেশ কুমাৰ, অভেষ খান, মহম্মদ ছিৰাজ আৰু দীপক চহৰ।

০০০০০০

**(সমাপ্ত)**